অসম চৰকাৰ

# অসম চৰকাৰ
## জিলা আয়ুক্তৰ কাৰ্যালয় ,মাজুলী
## (মীন শাখা)

নং: আৰ.এম./ ৪৫/ ২০২৩-আৰ.ই.ভি-এম.জে.এল./ ৬৬১২-২১ তাং: ০৮/১০/২০২৪

## মীন মহল বন্দোবস্তিৰ বাবে নিবিদা

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা হয় যে মাজুলী জিলাৰ এলেকাভুক্ত তলত উল্লেখ কৰা মীন মহলসমূহৰ নিৰ্দিষ্ট কৰি দিয়া সময়ৰ বাবে নিৰ্ধাৰিত লীজ মূল্যৰ পৰিমাণৰ বিপৰীতে নিবিদা গ্ৰহণৰ মাধ্যমত বিক্ৰী ক্ৰমে পট্টন দিয়া হ'ব। উক্ত পট্টনৰ বাবে ইংৰাজী ১৬/১০/২০২৪ তাৰিখৰ দিনৰ ১১:০০ বজাৰ পৰা ইংৰাজী ৩০/১০/২০২৪ তাৰিখৰ দিনৰ ৩:০০ বজালৈ মাজুলী জিলা আয়ুক্তৰ কাৰ্যালয়ত নিবিদা লোৱা হ'ব। যিসকলে নিবিদা দাখিল কৰিবলৈ ইচ্ছা কৰে তেওঁলোকক নিৰ্দিষ্ট তাৰিখ ও সময়মতে নিম্নোক্ত চৰ্ত সাপেক্ষে নিবিদা দাখিল কৰিবলৈ জনোৱা হ'ল।

তলত দেখুওৱা চৰ্তৰ অধীনত নিলাম কৰা হ'ব-

১/ নিবিদাকাৰীয়ে মীন মহলসমূহৰ বাবে জমা দিব খোজা বাৰ্ষিক ৰাজহৰ পৰিমাণৰ বিষয়ে নিবিদাত উল্লেখ কৰিব লাগিব। নিবিদাকাৰীয়ে ইতিমধ্যে দাখিল কৰা নিবিদাত নিৰ্ধাৰিত পৰিমাণৰ বাহিৰে আন কোনো পৰিমাণৰ ৰাশিৰ পৰবৰ্তী প্ৰস্তাৱ যিকোনো পৰিস্থিতিত বিবেচনা কৰা নহ'ব।

২/ নিবিদাকাৰীয়ে মীন মহলসমূহৰ নিবিদা উপযুক্তভাবে লেফাফা/খামৰ ভিতৰত ভৰাই সুৰক্ষাৰে বন্ধ কৰি তাৰ ওপৰত 'মীন মহলসমূহৰ বাবে নিবিদা' বুলি লিখি জিলা আয়ুক্তৰ কাৰ্যালয়ত সুকীয়াকৈ ৰখা বাকচত দাখিল কৰিব লাগিব।

৩/ নিবিদাৰ লগত ১০ (দহ) টকাৰ চালান কপি নিবিদা মাচুল হিচাপে জমা দিব লাগিব।ইয়াৰ অবিহনে কোনো নিবিদা বিবেচনা কৰা নহ'ব। লগতে ৰাজহ বিভাগত ৩০০ (তিনি শ) টকা জমা দি নিবিদাৰ ফৰ্ম আৰু আনুসংগিক নথিপত্ৰ ল'ব লাগিব।

৪/ (ক)৪০ শতাংশতকৈ কম কোটাৰ ভিতৰত তেওঁৰ সৈতে নিষ্পত্তি হোৱা এনে মীন মহলসমূহৰ ক্ষেত্ৰত সফল নিবিদাদাতাই নিষ্পত্তিৰ দিনা আমানত ধন জমা কৰিব লাগিব যাৰ পৰিমাণ নিষ্পত্তিৰ সম্পূৰ্ণ ম্যাদৰ প্ৰথম বছৰৰ বাবে তেঁওৰ সৈতে নিষ্পত্তি হোৱা মীন মহলসমূহৰ ৰাজহৰ এক চতুৰ্থাংশৰ সমান পৰিমাণৰ হ'ব লাগিব।

(খ) ৰাজ্যৰ অনুসূচীত জাতিৰ সদস্য আৰু/বা কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ সদস্যসকলৰ পৰা ১০০ শতাংশ অংশীদাৰৰ সৈতে গঠন কৰা মীন সমবায় সমিতি/ আত্মসহায়ক গোট/বেচৰকাৰী সন্থা **(NGO)** যাৰ সৈতে ৬০ শতাংশ মীন মহলসমূহৰ নিষ্পত্তি কৰা হ'ব, নিষ্পত্তিৰ দিনা নগদ ধন আমানত হিচাপে প্ৰদান কৰিব লাগিব, যি হৈছে মীন মহলৰ সম্পূৰ্ণ ম্যাদৰ প্ৰথম বছৰৰ ৰাজহৰ এক দশমাংশৰ সমান।

৫/ সফল নিবিদাদাতাক লীজ জাৰি কৰা হ'ব আৰু নিষ্পত্তিৰ তাৰিখৰ এমাহৰ ভিতৰত তেওঁ এখন কাবুলিয়াত নামাত চুক্তি কৰিব লাগিব।

৬/ যদি গৃহীত হোৱা নিবিদাৰ নিবিদাকাৰীয়ে উল্লেখিত ৪ আৰু ৫ নং দফাৰ মতে আমানতৰ ধন জমা দিবলৈ অপাৰগ/অসমৰ্থ হয়, তেনেহ'লে সংশ্লিষ্ট মীন মহলটো, নতুন নিবিদা গ্ৰহণ কৰি বিক্ৰী কৰা হ'ব আৰু এই বিক্ৰীক্ৰমে পোৱা ৰাজহ যদি অসমৰ্থ নিবিদাকাৰীয়ে আগবঢ়োৱা ৰাজহতকৈ কম হয়, তেনেহ'লে এই অসমৰ্থ নিবিদাকাৰীয়ে ৰাজহ ব্যৱধানৰ ক্ষতি, বিধি মতে আদায় দিবলৈ বাধ্য থাকিব।

৭/ মীন মহল সমূহৰ পট্টনৰ বাবে সৰ্বোচ্চ বা তেনে কোনো নিবিদা গ্ৰহণ কৰিবলৈ নিম্নস্বাক্ষৰকাৰীয়ে বাধ্য নহ'ব, নাইবা প্ৰত্যাখ্যান কৰাৰ কোনো কাৰণ দৰ্শাবলৈ বাধ্য নহ'ব।

৮/ মীন মহলদাৰে বা তেওঁৰ যিকোনো প্ৰতিনিধিয়ে মীন মহল সমূহত ৭ ছেঃমিঃ ঘেৰতকৈ বা ১৪ ছেঃমিঃ বহল পাহতকৈ কম জোখৰ বৰজাল/মহাজাল বা ফাচিজাল আৰু মছৰি জালেৰে ১ মে' তাৰিখৰ পৰা ১৫ জুলাইলৈ মাছ মাৰিব নোৱাৰিব।

৯/ (ক) নিম্নলিখিত প্ৰজাতিৰ মাছ (কণী আৰু শুক্ৰাণু কঢ়িওৱা মাছ) বিশেষকৈ ৰৌ, কাটলা, মৃগল মালি, চিতল, খৰিয়া, পিঠিয়া, ঘৰিয়া আৰু কুৰিহাজাতৰ মাছ প্ৰজনন ঋতুত অৰ্থাৎ ১ মে তাৰিখৰ

পৰা ১৫ জুলাই তাৰিখ পৰ্য্যন্ত দুয়োটা দিন ধৰি) মীন মহলদাৰে বা তেওঁৰ যিকোনো প্ৰতিনিধিয়ে (মাছ) মাৰিব নোৱাৰিব।

(খ) ১ ম আগষ্টৰ পৰা ৩১ অক্টোবৰলৈ খোৱাৰ কাৰণে বা বেচাৰ কাৰণেই হওঁক ২৩ ছেঃমিঃ দৈৰ্ঘ্যৰ তলৰ ৰৌ/কাটলা, মৃগল, চিতল, মেৰীয়া পিঠিয়া (মহাশ'ল), ঘৰিয়া আৰু ১০ ছেঃমিঃ দৈৰ্ঘৰ তলৰ কুড়ি, মালি আৰু ভাঙন মাছ আদি মাছ মাৰিব নোৱাৰিব।

(গ) ওপৰোক্ত ৯(খ) দফাত উল্লেখ কৰা শ্ৰেণী বিশেষৰ মাছৰ নিম্ন আকাৰ/কলেবৰৰ মাছ জালত পৰিলে লগে লগেই মীন মহলত এৰি দিব নাইবা চৰকাৰী মীন বিভাগক জীয়াই জীয়াই যোগান ধৰিব আৰু তাৰ বাবে সময়ে সময়ে চৰকাৰে বান্ধি দিয়া হাৰত ইয়াৰ মূল্য পৰিশোধ কৰা হ'ব।

১০/ ৭ ছেঃমিঃ বৰ্গৰ কোনো অস্থায়ী বানা, মাছ মাৰিবলৈ ১ মে তাৰিখৰ পৰা ১৫ জুলাই তাৰিখলৈ মীন মহলদাৰে ব্যৱহাৰ কৰিব নোৱাৰিব।

১১/ ১ মে' তাৰিখৰ পৰা ১৫ জুলাই এই সময়খিনিৰ বাহিৰে মীন মহল সমূহৰ মাছ ধৰা বতৰত মীন মহলৰ মতে ৭ ছেঃমিঃ বৰ্গৰ ব্যৱধান বা তাতকৈ কম ব্যৱধানৰ বানা, পানী বৈ যোৱাৰ কাৰণে ব্যৱহাৰ কৰিব পাৰিব।

১২/ সফল নিবিদাকাৰীয়ে জিলা আয়ুক্তই নিৰ্ধাৰণ কৰি দিয়া জিলা/মহকুমাৰ মূখ্য চহৰ বা আন যিকোনো অঞ্চললৈ য'ত মাছ বিশেষভাৱে দুৰ্লভ, পৰ্য্যাপ্ত পৰিমাণৰ মাছ যোগান ধৰিব লাগিব। ৰাজ্যে চৰকাৰৰ অনুজ্ঞা পত্ৰ নোহোৱাকৈ কোনো ধৰনৰ মাছ ৰাজ্যৰ বাহিৰলৈ ৰপ্তানি কৰিব নোৱাৰিব।

১৩/ লেছীসকলে মীন মহলসমূহ শুকাই যাবলৈ দিব নোৱাৰিব। বিল, দোবা বা পুখুৰী শ্ৰেণীৰ মীন মহল নষ্ট/ক্ষতি কৰিব পৰা সকলো পানী মেটেকা/পানীবন আদি মীন মহলদাৰে গুচাই মীন মহল স্বাভাৱিক অৱস্থাত ৰাখিব লাগিব আৰু তাত মৰাপাট গড়াব বা পচাব নোৱাৰিব।

১৪/ জিলা আয়ুক্তৰ আগতীয়া অনুমোদন অবিহনে মীন মহলদাৰে স্থানীয় অনুসূচীত জাতিৰ মাছমৰীয়া লোকক বা কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ লোকৰ বাহিৰে মাছ মৰা কাৰ্য্যত বাহিৰা ৰাজ্যৰ মাছমৰীয়া লোকক নিয়োগ কৰিব নোৱাৰিব।

১৫/ নিবিদাকাৰীয়ে তেওঁৰ আৰ্থিক সামৰ্থ সাব্যস্ত কৰিবলৈ স্বত্ব দখল ভূ-সম্পত্তিৰ পট্টা বা জমাবন্দিৰ প্ৰতিলিপি বা আন কোনো গ্ৰহণযোগ্য প্ৰমাণপত্ৰৰ লগতে চৰকাৰৰ কোনো খাজনা বা ঋণৰ বাকীদাৰ প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব।

১৬/ (ক) অনুসূচীত জনজাতি/ অন্যান্য পিছপৰা শ্ৰেণীৰ কাছাৰ জিলাৰ অনুসূচীত জাতি/ মাইমল সম্প্ৰদায়ৰ প্ৰকৃত মাছমৰীয়াৰ দ্বাৰা গঠিত আৰু অসম সমবায় সমিতি আইন, ১৯৪৯ ৰ অধীনত পঞ্জীয়ন কৰা এক সমবায় মীন সমিতিৰ সৰ্বোচ্চ নিবিদাৰ সংৰক্ষিত ৪০ শতাংশতকৈ কম কোটা যাৰ পৰিমাণ সৰ্বোচ্চ নিবিদাৰ ৭.৫ শতাংশৰ কম হ'ব নালাগিব, মীন মহল আবণ্টন গ্ৰহণৰ সুযোগ দিয়া হ'ব।

(খ) যেতিয়া এনে সমবায় সমিতিৰ নিবিদা সৰ্বোচ্চ নিবিদাৰ ৭.৫ শতাংশৰ তলত থাকে, **(i)** ওপৰত উল্লেখ কৰা সমবায় সমিতি **(ii)** অনুসূচীত জাতি আৰু কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ প্ৰকৃত মাছমৰীয়াসকলৰ ব্যক্তিগত সদস্য **(iii)** অনুসূচীত জনজাতি আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ ব্যক্তিগত সদস্য যিসকলে সৰ্বোচ্চ, নিবিদাৰ অতিকমেও ৬০ শতাংশকৈ কম নোহোৱা নিবিদা দাখিল কৰিব পাৰে, নিবিদাদাতাৰ উপযুক্ততা সাপেক্ষে ওপৰত উল্লেখ কৰা অগ্ৰাধিকাৰৰ ক্ৰমত সৰ্বোচ্চ নিবিদাত ৪০ শতাংশতকৈ কম মীন পালনৰ কোটাৰ ভিতৰত মীন মহল আবণ্টনৰ সুযোগ দিয়া হ'ব পাৰে।

১৭/ নিবিদাকাৰীয়ে ওপৰৰ যিকোনো চৰ্ত উলংঘা কৰিলে লীজ বাতিল কৰাৰ লগতে আমানতৰ ধন জব্দ কৰাৰ উপৰিও অন্য শাস্তিৰ সন্মুখীন হ'ব লাগিব।

**পট্টন দিবলগীয়া মীন মহলসমূহৰ বিৱৰণ**

| ক্ৰমিক নং | নাম | মীন মহলৰ প্ৰকাৰ (**Category** ) | নিৰ্ধাৰিত নূন্যতম লীজ মূল্য | কিমান বছৰৰ বাবে পট্টন দিয়া হ'ব |
|---|---|---|---|---|
| ১ | ১৩ নং দক্ষিণপাট বৰবিল ৰাজহ মীন মহল | ৬০% | বছৰি ৪১,২৯৫ টকা/- | ৩ বছৰ |
| ২ | ২৯ নং দৰিয়াদুবি ৰাজহ মীন মহল | ৬০% | বছৰি ২৮,৩২৫ টকা/- | ৩ বছৰ |

তলত দিয়া নথি সমূহ নিবিদাৰ লগত গাঁঠি দিব লাগিব-

১/ **১০০% প্ৰকৃত মাছমৰীমাৰ, প্ৰমাণ পত্ৰ**: মাছমৰীয়া সমবায় সমিতি, আত্মসহায়ক গোট, বেচৰকাৰী সন্থা সমূহে ইয়াৰ প্ৰতিজন সদস্য প্ৰকৃত মাছমৰীয়া আৰু তেওঁলোক অনুসূচিত জাতি তথা সম্প্ৰদায়ৰ বা পূৰ্বৰ কাছাৰ জিলাৰ মাইমল সম্প্ৰদায়ৰ লোক বুলি সমবায় সমূহৰ সহকাৰী পঞ্জীয়কৰ পৰা প্ৰমাণ পত্ৰ দিব লাগিব ।

২/ **চুবুৰীয়াৰ প্ৰমাণ পত্ৰ (Neighborhood Certificate):** সংশ্লিষ্ট মীন মহলৰ পৰা মাছমৰীয়া সমবায় সমিতি, আত্মসহায়ক গোট, বেচৰকাৰী সন্থাৰ প্ৰকৃত দূৰত্ব দেখুৱাই সংশ্লিষ্ট ৰাজহ চক্ৰ বিষয়াৰ পৰা প্ৰমাণপত্ৰ দাখিল কৰিব লাগিব | যদি সংশ্লিষ্ট মীন মহলটো এটাতকৈ অধিক ৰাজহ চক্ৰৰ অধীনত পৰে, তেতিয়া প্ৰমাণ-পত্ৰ সকলো চক্ৰ বিষয়াৰ পৰা ল'ব লাগিব ।

৩/ **মাছমৰীয়াৰ অভিজ্ঞতাৰ প্ৰমাণ-পত্ৰ:** মাছমৰীয়া সমবায় সমিতি, আত্মসহায়ক গোট, বেচৰকাৰী সন্থাই ইয়াৰ প্ৰতিজন সদস্য মাছ ধৰা আৰু আনুষংগিক কাম কাজ যথেষ্ট অভিজ্ঞ আৰু তেওঁলোক এনে কামৰ সৈতে সম্পূৰ্ণ ভাৱে জড়িত বুলি জিলা মীন উন্নয়ণ বিষয়াৰ পৰা প্ৰমাণ পত্ৰ লৈ দাখিল কৰিব লাগিব ।

৪/ **বাকীজাই ক্লিয়াৰেন্স প্ৰমাণ পত্ৰ**: বাকীজাই প্ৰাধিকৰণৰ পৰা অথবা সংশ্লিষ্ট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা পোৱা বাকীজাই ক্লিয়াৰেন্স প্ৰমাণ পত্ৰ দাখিল কৰিব লাগিব যত মাছমৰীয়া সমবায় সমিতি, আত্মসহায়ক গোট, বেচৰকাৰী সন্থা সমূহ পঞ্জীয়ণ হৈ আছে, এই পঞ্জীয়ণ কোনো সদস্যৰ নামত নহৈ মাছমৰীয়া সমবায় সমিতি, আত্মসহায়ক গোট, বেচৰকাৰী সন্থাৰ নামত হ'ব লাগিব।

৫/ **আমানত ধনৰাশি:** ৬০% চৰকাৰী মীন মহলৰ ক্ষেত্ৰত সম্পূৰ্ণ ম্যাদৰ বন্দোৱস্তিৰ ১ম বৰ্ষৰ ৰাজহৰ নিম্নতম দহ ভাগৰ এক (১) অংশ ধনৰাশি "কল ডিপজিত"ৰ ৰূপত জিলা আয়ুক্তৰ নামত **pledge** কৰি তাত নিবিদা সমিতিৰ নাম উল্লেখ কৰি জমা দিব লাগিব।

৬/ **সমবায় পঞ্জীয়ণ:** যোগ্য কৰ্তৃপক্ষৰ পৰা মাছমৰীয়া সমবায় সমিতি, আত্মসহায়ক গোট, বেচৰকাৰী সন্থা সমূহৰ শেহতীয়া পঞ্জীয়ণ প্ৰমাণ-পত্ৰ, নৱীকৰণ সহিতে (যত প্ৰযোয্য হয়) নিবিদা জমা দিয়াৰ দিনা দাখিল কৰিব লাগিব।

৭/**প্যান কাৰ্ড (PAN CARD):** আয়কৰ বিভাগে প্ৰদান কৰা প্যান কাৰ্ড মাছমৰীয়া সমবায় সমিতি, আত্মসহায়ক গোট, বেচৰকাৰী সন্থাৰ নামত থকা হ'ব লাগিব আৰু কোনো বিষয়ববীয়াৰ ব্যক্তিগত নামত হব নালাগিব।

৮/ **পাছপোৰ্ট ফটো:** অনুমোদিত ব্যক্তি (মাছমৰীয়া সমবায় সমিতি, আত্মসহায়ক গোট, বেচৰকাৰী সন্থা সমূহৰ সচিব/সভাপতি) ৰ পাছপোৰ্ট ফটো জমা দিব লাগিব।

৯/ **বেলেঞ্চচিট আৰু লাভ-লোকচানৰ একাউন্ট**: সমবায় সমিতিৰ ক্ষেত্ৰত সমবায় বিভাগৰ যোগ্য কৰ্তৃপক্ষৰ দ্বাৰা আৰু বেচৰকাৰী সন্থাৰ ক্ষেত্ৰত চি. এ. (**chartered accountant**) ৰ দ্বাৰা প্ৰদান কৰা একেৰাহে পূৰ্বৰ তিনি বছৰৰ বেলেঞ্চচিট আৰু লাভ-লোকচানৰ একাউন্ট জমা দিব লাগিব।

**জিলা আয়ুক্ত**
মাজুলী

**স্মাৰক নং: নং: আৰ.এম./ ৪৫/ ২০২৩-আৰ.ই.ভি-এম.জে.এল.**

**তাং:০৮/১০/২০২৪**

ইয়াৰ প্ৰতিলিপি জ্ঞাতাৰ্থে আৰু বহুল প্ৰচাৰৰ বাবে প্ৰৰণ কৰা হ'ল:

(১) সচিব, অসম চৰকাৰ মীন বিভাগ, দিছপুৰ ।

(২) মুখ্য কাৰ্যবাহী বিষয়া, জিলা পৰিষদ, মাজুলী ।

(৩) নজৰত বিষয়া, জিলা আয়ুক্ত কাৰ্যালয়, মাজুলী ।

(৪) মাজুলী জিলাৰ সকলো চক্ৰ বিষয়া ।

(৫) জিলা মীন উন্নয়ন বিষয়া, মাজুলী ।

(৬) মাজুলী জিলাৰ প্ৰতিখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়া সকল।

(৭) সহ-পঞ্জীয়ক সমবায় সমিতি, মাজুলী ।

(৮) জিলা তথ্য আৰু জনসম্পৰ্কৰক্ষী বিষয়া, মাজুলী । তেখেতে এই জাননী স্থানীয় বাতৰি কাকতত প্ৰকাশৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব।

(৯) নোটিচ বোৰ্ড ।

(১০) কাৰ্যালয় কপি।

**জিলা আয়ুক্ত**
মাজুলী